*Total number of printed pages–7*

**63 (FY)SEM–1/MIN1/ASMMIN1014**

# 2024

## ASSAMESE

Paper : ASMMIN1014

***( History and Trends of Assamese Literature )***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×১০=১০

(ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থখনৰ লেখক হ'ল

*(i)* মহেশ্বৰ নেওগ

*(ii)* সত্যেন্দ্ৰনাথ শৰ্মা

*(iii)* হৰিনাথ শৰ্মা দলৈ

*(iv)* হেমন্ত কুমাৰ শৰ্মা

*Contd.*

(খ) চৰ্য্যাপদৰ প্ৰধান সিদ্ধাচাৰ্য গৰাকীৰ নাম কি?

(i) মীননাথ

(ii) লুইপাদ

(iii) সৰহপাদ

(iv) ভুসুকপাদ

(গ) মাধৱ কন্দলীয়ে কোনজনা ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰি সাহিত্য ৰচনা কৰিছিল?

(i) মহামাণিক্য

(ii) দুৰ্লভ নাৰায়ণ

(iii) শ্ৰীমন্ত তাম্ৰধ্বজ

(iv) ইন্দ্ৰ নাৰায়ণ

(ঘ) 'বভ্ৰুবাহনৰ যুদ্ধ' গ্ৰন্থখনৰ ৰচক কোন?

(i) মাধৱ কন্দলী

(ii) হৰিবৰ বিপ্ৰ

(iii) ৰুদ্ৰ কন্দলী

(iv) হেম সৰস্বতী



(ঙ) 'দেৱজিৎ' কোনজন কবিৰ ৰচনা ?

(i) হেম সৰস্বতী

(ii) হৰিবৰ বিপ্ৰ

(iii) কবিৰত্ন সৰস্বতী

(iv) মাধৱ কন্দলী

(চ) শংকৰদেৱৰ প্ৰথম কাব্যগ্ৰন্থখনৰ নাম কি?

(i) ভক্তিপ্ৰদীপ

(ii) হৰিশ্চন্দ্ৰ উপাখ্যান

(iii) পত্নীপ্ৰসাদ

(iv) কীৰ্ত্তন ঘোষা

(ছ) মাধৱদেৱ বিৰচিত পূৰ্ণাঙ্গ নাটকখনৰ নাম কি?

(i) অৰ্জুন ভঞ্জন

(ii) চোৰ ধৰা

(iii) দধিমহান

(iv) ভোজন বেহাৰ

(জ) মনকৰে ৰচনা কৰা পুথিখনৰ নাম হ'ল

(i) বেউলা আখ্যান (মনসাকাব্য)

(ii) পদ্মপুৰাণ

(iii) মাৰ্কণ্ডেয় চণ্ডী

(iv) নল-দময়ন্তী

(ঝ) অৰুণোদই আলোচনীখন প্ৰকাশ হৈছিল

(i) ১৮২৬

(ii) ১৮৩৬

(iii) ১৮৪৬

(iv) ১৮৫০

(ঞ) 'আৱাহন' আলোচনীৰ মুখ্য পৃষ্ঠপোষক আছিল

(i) দীননাথ শৰ্মা

(ii) নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

(iii) হোমেন বৰগোহাঞি

(iv) লক্ষ্মীনাথ ফুকন



২। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ 2×৫=১০

(ক) অসমৰ দুবিধ লোকগীতৰ নাম লিখা।

(খ) 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধ গান ও দোহা' কোনে, কিমান চনত প্ৰকাশ কৰিছিল?

(গ) হৰিবৰ বিপ্ৰ বিৰচিত দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঘ) শংকৰদেৱ আৰু মাধৱদেৱে ৰামায়ণৰ কোন দুটা কাণ্ড অনুবাদ কৰিছিল?

(ঙ) 'নামঘোষা'ত কিমানটা ঘোষা আছে? ইয়াক কিয় 'হেজাৰী ঘোষা' বোলা হয়?

(চ) 'ইংলেণ্ডৰ বিৱৰণ' কোনে লিখিছিল? এই পুথিখন কোনখন কাকতত প্ৰকাশ পাইছিল?

(ছ) ৰামধেনু যুগৰ দুগৰাকী গল্পকাৰৰ নাম লিখা।

৩। তলত দিয়াসমূহৰ বিষয়ে লিখা ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) চৰ্য্যাপদৰ ৰচনাকাল আৰু ধৰ্মতত্ত্ব

(খ) প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য

(গ) বৰগীতৰ বিষয়বস্তুৰ পৰিচয়

(ঘ) মালিতা বা কাহিনী গীত

(ঙ) আনন্দৰাম ঢেকিয়াল ফুকন

(চ) অসমীয়া ৰোমাণ্টিক কবিতা

(ছ) ৰামধেনু যুগৰ গল্পৰ বৈশিষ্ট্য

(জ) আৱাহন যুগৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য

(ঝ) মনকৰৰ সাহিত্যকৃতি

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) চৰ্য্যাপদত অসমীয়া সমাজ জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে বিৱৰি লিখা।

(খ) অনুষ্ঠানমূলক লোকগীত কাক বোলে? অসমীয়া অনুষ্ঠান-মূলক লোকগীতৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(গ) 'মাধৱদেৱৰ নাট্য প্ৰতিভা' সন্দৰ্ভত আলোচনা কৰা।



(ঘ) অসমীয়া ভাষা সাহিত্যলৈ আমেৰিকান খৃষ্টীয়ান মিছনেৰী সকলৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

---